ত্ৰিপুৰা ৰাজ্য আৰু অন্যান্য

বনাম

বীনা চৌধাৰী আৰু অন্যান্য

২২মে' ২০০৭

[ন্যায়াধীশ ড° অৰিজিৎ পাশায়াত আৰু ন্যায়াধীশ লোকেশ্বৰ সিং পান্ট]

*ভাৰতীয় বন (ত্ৰিপুৰা দ্বিতীয় সংশোধনী) আইন, ১৯৮৬- অবৈধ কাঠ লৈ যোৱা বাহন জব্দ- অপৰাধৰ সংযোজন- বাহনখন জমা কৰাৰ পিছত মুকলি কৰি দিয়াৰ নিৰ্দেশ দিয়া হৈছে ১০,০০০টকা বাহনখনৰ মূল্যায়ন হিচাপে আৰু ২০০০টকা ক্ষতিপূৰণ হিচাপে- জমা কৰা হৈছে- ইফালে, বন পৰিসৰৰ কাৰ্যালয়ৰ পৰা চুৰি হোৱা বাহনখনৰ গিয়াৰ বক্স গৰাকীৰ ওচৰলৈ ঘূৰাই দিব নোৱাৰি- সেয়েহে, মালিকজনে বাহনখনৰ পৰা হোৱা উপাৰ্জনৰ ক্ষতিৰ বাবে ক্ষতিপূৰণ দাবী কৰি ধনৰ গোচৰ ৰুজু কৰিছিল- বিচাৰ আদালতে গোচৰ ৰুজু কৰিছিল; মালিকক ২.০৩ লাখ টকা পৰিশোধ কৰিবলৈ নিৰ্দেশ দিয়া হৈছিল নিৰ্দিষ্ট সময়ৰ বাবে সুতৰ সৈতে আৰু তাৰ পিছত ২৫২টকা বাহনখন ঘূৰাই দিয়া পৰ্যন্ত প্ৰতিদিনে- উচ্চ ন্যায়ালয়ৰ দ্বাৰা সমৰ্থন কৰা নিৰ্দেশ- আপীলৰ ভিত্তিত, ৰায় দিয়া হৈছিলঃ বিচাৰ আদালতে কোনো প্ৰমাণ অবিহনে আয়ৰ লোকচানৰ মূল্যায়ন কৰিছিল- উচ্চ ন্যায়ালয়ৰ দ্বাৰা সমৰ্থন কৰা আদেশ আপীলৰ ভিত্তিতঃ বিচাৰ আদালতে কোনো প্ৰমাণ অবিহনে উপাৰ্জনৰ ক্ষতিৰ মূল্যায়ন কৰিছিল- বাহনৰ পৰা উপাৰ্জন প্ৰমাণ কৰিবলৈ কোনো নথিপত্ৰ দাখিল কৰা হোৱা নাছিল- সেয়েহে তলৰ আদালতৰ ৰায়দান স্থায়ী নহয়- দীঘলীয়া সময় আৰু বিতৰ্কৰ সীমিত প্ৰকৃতি বিবেচনা কৰি, বিষয়টো পুনৰ শুনানিৰ বাবে বিচাৰ আদালতলৈ*

*প্ৰেৰণ কৰাৰ পৰিৱৰ্তে, মালিকে দাবীৰ সম্পূৰ্ণ আৰু চূড়ান্ত নিষ্পত্তিৰ বাবে ৩৫,০০০টকা পৰিশোধ কৰিবলৈ নিৰ্দেশ দিয়ে।*

বন পৰিসৰৰ কৰ্মচাৰীসকলে অবৈধ কাঠ লৈ যোৱা এখন ট্ৰাক জব্দ কৰিছিল ভাৰতীয় বন (ত্ৰিপুৰা দ্বিতীয় সংশোধনী) আইন, ১৯৮৬-ৰ ধাৰা ৫২(এ)-ৰ অধীনত জব্দ কৰাৰ বাবে ট্ৰাকখনৰ গৰাকীলৈ কাৰণ প্ৰকাশৰ জাননী জাৰি কৰা হৈছিল। মালিকজনে দোষ স্বীকাৰ কৰিছিল আৰু অপৰাধটো আপোচ মীমাংসাৰ বাবে প্ৰাৰ্থনা কৰিছিল। ইয়াৰ প্ৰত্যুত্তৰত, মুখ্য বন সংৰক্ষকে গোচৰটো ১০,০০০টকা ট্ৰাকখনৰ মূল্য নিৰ্ধাৰণ আৰু ২,০০০টকা ক্ষতিপূৰণ হিচাপে জমা কৰিবলৈ নিৰ্দেশ দিয়ে। সেই অনুসৰি জমা কৰা হৈছিল। ইফালে, ট্ৰাকখনৰ গিয়াৰ বক্সটো বন ৰেঞ্জ কাৰ্যালয়ৰ পৰা চুৰি কৰা হৈছিল। চুৰিৰ বাবে ট্ৰাকখন মালিকক ঘূৰাই দিব পৰা নগ'ল, যিয়ে উক্ত ট্ৰাকখনৰ পৰা হোৱা উপাৰ্জনৰ ক্ষতিৰ বাবে ক্ষতিপূৰণ দাবী কৰি ধনৰ গোচৰ ৰুজু কৰিছিল। বিচাৰ আদালতে গোচৰটোৰ বাবে ১৮-১০-১৯৯৩ৰ পৰা ৩১-১২-১৯৯৫ লৈ বছৰি ১২শতাংশ সুতত ২,০৩,৩৬450 লাখ টকাৰ নিৰ্দেশ দিছিল আৰু তাৰপিছত প্ৰতিদিনে ২৫২টকাকৈ ট্ৰাকখন ঘূৰাই দিয়া পৰ্যন্ত। উচ্চ ন্যায়ালয়ে বিচাৰ আদালতৰ ৰায় সমৰ্থন কৰিছিল। সেয়েহে বৰ্তমানৰ আপীল।

আপীলৰ অনুমতি প্ৰদান কৰি আদালতে,

উপস্থাপন কৰে, ১. বাহনখনৰ (ট্ৰাক) উপাৰ্জন সম্পৰ্কে কোনো নিৰ্দিষ্ট বিষয় গঠন কৰা হোৱা নাছিল। বিচাৰ আদালতে নিজেই লক্ষ্য কৰিছিল যে, বাদী-মালিকে অত্যাধিক দাবী কৰিছিল আৰু বাহনখন দৈনিক চলি থকা বুলি তেওঁৰ দাবী অযুক্তিকৰ আছিল। বিচাৰ আদালতৰ দ্বাৰা কৰা সকলো অনুমান কোনো প্ৰমাণ অবিহনে আছিল। আয়ৰ ক্ষতিৰ প্ৰশ্নৰ ওপৰত কোনো প্ৰমাণ দিয়া

হোৱা নাছিল। ইয়াৰ উপৰিও, মূল দাবী আছিল ১,৬৮,০০০টকা, যিটো পৰৱৰ্তী সময়ত ১৫,৫৪,০০০টকা লৈ সংশোধন কৰা হৈছিল। অভিযোগটোত আয় বা লোকচানৰ বিষয়ে কোনো অভিমত দিয়া হোৱা নাছিল। বিচাৰ আদালতৰ ৰায় আৰু ডিক্ৰী আৰু উচ্চ ন্যায়ালয়ৰ বিচাৰাধীন আদেশৰ কোনো আইনী ভিত্তি নাই। বাদী নং ১-ৰ সাক্ষ্য লিপিবদ্ধ হৈ আছে। দৰাচলতে বাদী নং ১ৰ পুত্ৰ বাদী নং ২-এ স্পষ্টভাৱে কৈছিল যে, বাহনখনৰ উপাৰ্জন প্ৰমাণ কৰিবলৈ কোনো নথিপত্ৰ দাখিল কৰা নাই। [দফা ১৯] [৭৫৬- জি; ৭৫৭- এ, বি.]

২. উচ্চ ন্যায়ালয়ৰ সিদ্ধান্তসমূহ আকস্মিক। উচ্চ ন্যায়ালয়ে এই কথাটোৰ প্ৰতি উদাসীন হোৱা যেন লাগিছে যে, ই এটা অৰ্থ বিষয়ক গোচৰত আপীলৰ সিদ্ধান্ত লৈ আছিল। [দফা ১৮] [৭৫৬- ই]

৩. সাধাৰণতে, এই আদালতে বিচাৰাধীন নিৰ্দেশটো বাতিল কৰি বিচাৰ আদালতক পুনৰ শুনানি গ্ৰহণ কৰিবলৈ আৰু বিষয়টো নতুনকৈ সিদ্ধান্ত ল'বলৈ নিৰ্দেশ দিছিল। দীঘলীয়া সময় অতিবাহিত হোৱা আৰু সীমিত বিতৰ্কৰ কথা বিবেচনা কৰি, দাবীৰ সম্পূৰ্ণ আৰু চূড়ান্ত মীমাংসাত, বাদীক দুমাহৰ ভিতৰত বিৰোধীয়ে ৩৫,০০০টকা পৰিশোধ কৰিবলৈ নিৰ্দেশ দিয়া হয়। [দফা ২০] [৭৫৭- বি., চি.]

দেৱানী আপীলীয় ক্ষেত্ৰাধিকাৰঃ দেৱানী আপীল নং ২৩৬২/ ২০০৫।

গৌহাটী উচ্চ ন্যায়ালয়ৰ প্ৰথম আপীল নং ১১৩/ ১৯৯৭-ত ১৯-১২-২০০২ তাৰিখৰ চূড়ান্ত বিচাৰ আৰু আদেশৰ পৰা।

আবেদনকাৰীৰ পক্ষত গোপাল সিং, ৰিতুৰাজ বিশ্বাস আৰু অনুকুল ৰাজ।

উত্তৰদাতাৰ পক্ষত শিবাশীষ মিশ্র, অজয় যাদৱ আৰু কে. ভি. মোহন।

আদালতৰ ৰায় প্রদান কৰিছিল,

ন্যায়াধীশ ড° আৰিজিৎ পাশায়াত, ১. এই আবেদনৰ প্রত্যাহ্বান হৈছে গৌহাটী উচ্চ ন্যায়ালয়ৰ আগৰতলা পীঠৰ এখন খণ্ড বিচাৰপীঠে প্রদান কৰা নির্দেশক। উচ্চ ন্যায়ালয়ে বিচাৰ আদালতৰ দ্বাৰা গৃহীত ৰায় আৰু ডিক্ৰী সমর্থন কৰি আবেদনকাৰীসকলে দাখিল কৰা প্রথম আবেদনখন নাকচ কৰে। উক্ত ৰায়ৰ দ্বাৰা বিচাৰ আদালতে গোচৰটো ৰায় দিছিল- প্রতি বছৰে ১২শতাংশ সুতৰ সৈতে ২,০৩,৩৬৪টকাত ১৮-১০-১৯৯৩ পৰা ৩১-১২-১৯৯৫লৈ আৰু তাৰপিছত প্রতিদিনে ২৫২টকাকৈ বাহনখন ঘূৰাই দিয়া পর্যন্ত।

২. পটভূমিৰ তথ্যবোৰ অতি আকর্ষণীয় আৰু মূলতঃ তলত দিয়া ধৰণৰঃ

৩. পঞ্জীয়ন নং টি. আৰ. এল. ২৪৪৩ থকা অবৈধ কাঠ লৈ যোৱা এখন বাহন চম্পকনগৰ ৰেঞ্জৰ কর্মচাৰীসকলে জব্দ কৰিছিল। চম্পকনগৰ ফৰেষ্ট ৰেঞ্জৰ চম্পাবাৰী বীট কার্যালয়ে অবৈধভাৱে ৫৭টা অচিহ্নিত gamer sawn timber(গেমাৰ ছাউন কাঠ) অবৈধভাৱে সংগ্রহ কৰাৰ বাবে উক্ত বাহনখনৰ গৰাকীৰ বিৰুদ্ধে ১১-০৬-১৯৯৩ তাৰিখৰ ৩/চি.বি. ৯৩ নং অপৰাধৰ প্রতিবেদন প্রস্তুত কৰিছিল। উক্ত বাহনখনৰ চালকজনে বনজ সামগ্ৰী কঢ়িয়াই নিয়াৰ বাবে বন নিয়মৰ অধীনত প্রয়োজন অনুসৰি বাহনখনৰ পঞ্জীয়নৰ কাগজ-পত্র প্রস্তুত কৰিব নোৱাৰিলে আৰু লগতে বন বিভাগৰ জি. পি. আৰু ট্ৰানজিট পাছৰ দৰে কোনো নথিপত্র প্রস্তুত কৰাত ব্যর্থ হৈছিল। বাহনখনৰ চালক কার্তিক চন্দ্ৰ ঘোষক গ্রেপ্তাৰ কৰা হয় আৰু বাহনখন জব্দ কৰা হয় আৰু পৰৱর্তী

সময়ত তেলিয়ামুৰা আৰক্ষী থানাৰ অধীনত চম্পক নগৰ পৰিসৰলৈ অনা হয় আৰু তালিয়ামুৰাৰ বিভাগীয় বন সুৰক্ষা দলৰ জিম্মাত ৰখা হয়।

৪. ভাৰতীয় বন (ত্ৰিপুৰা দ্বিতীয় সংশোধনী) আইন, ১৯৮৬ (সংক্ষেপে 'ত্ৰিপুৰা আইন') ৰ ধাৰা ডি ৫২(এ)ৰ অধীনত উক্ত বাহনখন কিয় জব্দ কৰা নহ'ব সেই সন্দৰ্ভত ২১-০৬-১৯৯৩ত বাহনখনৰ গৰাকীলৈ এক কাৰণ প্ৰকাশৰ জাননী জাৰি কৰা হৈছিল।

৫. ২৬-০৬-১৯৯৩ত ট্ৰাকখনৰ মালিকে দোষ স্বীকাৰ কৰিছিল আৰু কাৰণ প্ৰকাশৰ জাননীৰ প্ৰতি সঁহাৰি জনাই অপৰাধটোত আপোচ মীমাংসা কৰাৰ বাবে প্ৰাৰ্থনা কৰিছিল।

৬. ১৩-০৮-১৯৯৩ত ত্ৰিপুৰাৰ মুখ্য বন সংৰক্ষকে ট্ৰাকখনৰ ২৫,০০০/-টকা মূল্য আৰু ক্ষতিপূৰণ হিচাপে ৫,০০০/- টকা আদায় হোৱাৰ পিছত গোচৰটো আপোচ মীমাংসা কৰিবলৈ নিৰ্দেশ দিয়ে।

৭. ২৭তাৰিখে ধন পৰিশোধ কৰাৰ পিছত বাহনখন মুকলি কৰিবলৈ নিৰ্দেশ দিয়া হৈছিল। সেই দিনা বাহনখনৰ মালিকে পুনৰ মূল্যায়ন আৰু বাহনখনৰ মূল্য হ্ৰাস কৰাৰ বাবে প্ৰাৰ্থনা কৰিছিল কিয়নো বাহনখন পুৰণি আছিল। দাখিল কৰাৰ কথা বিবেচনা কৰি ত্ৰিপুৰাৰ চিফ কনচাৰ্ভেটাৰ অৱ ফৰেষ্ট-এ তেওঁৰ পূৰ্বৰ নিৰ্দেশ সংশোধন কৰি ট্ৰাকখনৰ মূল্য ১০,০০০/-টকা বুলি পুনৰ মূল্যায়ন কৰাৰ লগতে সেই অনুসৰি ক্ষতিপূৰণৰ পৰিমাণ ২,০০০/- টকা নিৰ্ধাৰণ কৰিছিল। এইটো নিৰ্দেশ দিয়া হৈছিল যে, ট্ৰাকখনৰ মালিকে এখন লিখিত অঙ্গীকাৰ দিব লাগিব যে, তেওঁ নিশ্চিত কৰিব যে ভৱিষ্যতে বাহনখন কোনো বন অপৰাধ সংঘটিত কৰাৰ বাবে ব্যৱহাৰ কৰা নহ'ব। ধন পৰিশোধ কৰাৰ বাবে ৩০-১০-১৯৯৩লৈ সময় দিয়া হৈছিল। ১২/১৩-১০-১৯৯৩ৰ

নিশা ৰেঞ্জ অফিচৰ কাৰ্যালয়ৰ পৰা কিছুমান অচিনাকি দুৰ্নীতিগ্ৰস্ত লোকে বাহনখনৰ গিয়াৰ বক্সটো চুৰি কৰিছিল।

৮. ১৮-১০-১৯৯৩ত মূল্য আৰু ক্ষতিপূৰণৰ সন্দৰ্ভত জমা কৰা হৈছিল।

৯. ১৪-১০-১৯৯৩ত বাহনখনৰ গিয়াৰ বক্সটোৰ চুৰিৰ তথ্য লিপিবদ্ধ কৰিবলৈ এক প্ৰথম তথ্য প্ৰতিবেদন (সংক্ষেপে 'এফ. আই. আৰ.') দাখিল কৰা হৈছিল। অপৰাধীসকলক গ্ৰেপ্তাৰ কৰা আৰু গিয়াৰ বক্স উদ্ধাৰৰ বাবে বন বিষয়াৰ ওচৰতো বিষয়টো উত্থাপন কৰা হৈছিল। উপৰোক্ত পৰিস্থিতিৰ বাবে বাহন ঘূৰাই দিব পৰা নগ'ল। বাহনখনৰ গৰাকী সুধীৰ ভূষণ চৌধুৰীয়ে ১২-০১-১৯৯৪ত আইনী জাননী জাৰি কৰিছিল। পৰৱৰ্তী সময়ত সহকাৰী জিলা ন্যায়াধীশ নং ১, পশ্চিম ত্ৰিপুৰা, আগৰতলাত ১০-০১-১৯৯৪-ৰ পৰা প্ৰতি বছৰে ১৮শতাংশ হাৰত সুতৰ সৈতে ১,৬৮,০০০টকা ক্ষতিপূৰণৰ বাবে ধন সংক্ৰান্তীয় গোচৰ ৰুজু কৰে। লিখিত বিবৃতিত দাবীটো বিচাৰাধীন আছিল আৰু দাবীটো ভিত্তিহীন বুলি দাখিল কৰা হৈছিল।

১০. ২২-০৭-১৯৯৬ত বিচাৰ আদালতে ২,০৩,৩৬৪টকাত ১৮-১০-১৯৯৩ৰ পৰা ৩১-১২-১৯৯৫ লৈ আৰু তাৰপিছত, ২৫২শতাংশ হাৰত গোচৰটোৰ নিৰ্দেশ দিয়ে। বিবাদীসকলক ৰায় প্ৰদানৰ তাৰিখৰ পৰা দুমাহৰ ভিতৰত বাহনখন বাদীক ঘূৰাই দিবলৈ নিৰ্দেশ দিয়া হৈছিল।

১১. উচ্চ ন্যায়ালয়ৰ আগত এক আবেদন দাখিল কৰা হৈছিল। আপীলটো চলি থকাৰ সময়ত, বাহনখন মেৰামতি কৰি চলাচল কৰিব পৰা অৱস্থাত তৈয়াৰ কৰাৰ পিছত বাহনখন হস্তান্তৰ কৰা হৈছিল।

১২. ওপৰত উল্লেখ কৰা অনুসৰি উচ্চ ন্যায়ালয়ে আপীলআবেদন নাকচ কৰিছিল। আপীল চলি থকাৰ সময়ত মূল গৰাকী- সুধীৰ ভূষণ চৌধুৰীৰ মৃত্যু হৈছিল আৰু তেওঁৰ আইনী উত্তৰাধিকাৰীসকলক নথিভুক্ত কৰা হৈছিল।

১৩. আবেদনকাৰীসকলৰ স্থিতি হৈছে যে, বাদীজনে নিজেই বাহনখনৰ মুক্তি বিচাৰি থকাৰ সময়ত ইংগিত দিছিল যে বাহনখনৰ মূল্য অতি কম আছিল আৰু আনকি ২৫,০০০/- টকাতকৈও কম আছিল, যিটো প্ৰথমতে নিৰ্ধাৰণ কৰা হৈছিল। বাহনখনৰ বয়সৰ কথা বিবেচনা কৰি মূল্য ১০,০০০/- টকা নিৰ্ধাৰণ কৰা হৈছিল। এইটো কল্পনা কৰিব নোৱাৰি যে, এনে এখন বাহনে প্ৰথমে দাবী কৰা অনুসৰি প্ৰতিদিনে ৬০০টকা উপাৰ্জন লাভ কৰিব। দাবী আছিল ১৫,৫৪,০০০/- টকাৰ বাবে। মালিকজনে প্ৰতিদিনে ২,০০০/- টকা উপাৰ্জন কৰিছিল বুলি দাবী কৰাৰ বাহিৰে কোনো উপাৰ্জনৰ প্ৰমাণ দাখিল কৰা হোৱা নাছিল। বিচাৰ আদালতে বিচাৰিছিল যে, কোনো প্ৰমাণ প্ৰদান কৰা হোৱা নাছিল, তথাপিও ৰায় দিছিল যে আয় প্ৰতিদিনে প্ৰায় ৬০০টকা হ'ব। বিচাৰ আদালতে নিজেই লক্ষ্য কৰিছিল যে বাদীজনে ক্ষতিপূৰণৰ লগতে সুতৰ বাবেও অত্যাধিক পৰিমাণ দাবী কৰিছিল। বাহনখন ১৯৭৯চনৰ আছিল। বিচাৰ আদালতে নিজেই লক্ষ্য কৰিছিল যে, আপীলকাৰীয়ে দাবী কৰা অনুসৰি ১০,০০০ টকা মূল্যৰ বাহনখনে প্ৰতি মাহে ৭,২০০/- টকা লাভ কৰাটো অকল্পনীয়।

১৪. তাৰ পিছত সম্পূৰ্ণৰূপে অনুমান আৰু অনুমানৰ ওপৰত ভিত্তি কৰি উচ্চ ন্যায়ালয়ে ৰায় দিয়ে যে, নতুন ট্ৰাক এখনৰ উপাৰ্জন প্ৰতিদিনে ২০০০/- টকা হ'ব আৰু যদি গাড়ীখন প্ৰতিমাহে ১০০/- টকা কৰ্তন কৰি বিক্ৰী কৰিবলগীয়া হয়, তেন্তে গাড়ীখনে প্ৰতিদিনে প্ৰায় ৬০০/- টকা উপাৰ্জন কৰিব।

১৫. তাৰ পিছত বিচাৰ আদালতে অনুমানৰ ভিত্তিত আৰু কোনো প্ৰমাণ দাখিল নকৰাকৈ ব্যয় পৰীক্ষা কৰিবলৈ আগবাঢ়িল। বিচাৰ আদালতে স্পষ্টকৈ কয় যে, বাদীজনে উপাৰ্জন হেৰুৱাৰ দাবী প্ৰমাণ কৰিবলৈ কোনো প্ৰমাণ দাখিল কৰা নাছিল। উচ্চ ন্যায়ালয়ে এইবোৰৰ কোনো প্ৰাসংগিক কাৰক পৰীক্ষা কৰা নাছিল আৰু হঠাতে এই সিদ্ধান্তত উপনীত হৈছিল যে, পুৰণি বাহন এখনৰ প্ৰকৃত মূল্য বা উপাৰ্জন মূল্যায়ন কৰাটো অতি কঠিন হ'ব। ইয়াৰ ফলত এই কথাটো স্পষ্টভাৱে উপেক্ষা কৰা হৈছিল যে বাদীয়ে উপাৰ্জনৰ দাবী মূল্যায়ন কৰিবলৈ কোনো প্ৰমাণ দাখিল কৰা নাছিল। প্ৰমাণমূলক তদন্তত গৈ কোনো ভিত্তি নোহোৱাকৈ সেইটো হিচাপ নিৰ্ধাৰণ কৰাটো বিচাৰ আদালতৰ কৰ্তব্য নাছিল।

১৬. মূলতঃ এইটো কোৱা হৈছিল যে উচ্চ ন্যায়ালয়ে সমৰ্থন কৰা বিচাৰ আদালতৰ ৰায় আৰু ডিক্ৰী স্থায়ী হ'ব নোৱাৰে।

১৭. উত্তৰত উত্তৰদাতাৰ বিদ্বান অধিবক্তাই দাবী কৰে যে যদিও এইটো সত্য যে এতিয়াও কোনো নিৰ্দিষ্ট প্ৰমাণ দাখিল কৰা হোৱা নাই, উচ্চ ন্যায়ালয়ে আয় নিৰ্ধাৰণৰ বাবে বিচক্ষণ আৰু ন্যায্যভাৱে কাম কৰিছিল।

১৮. উচ্চ ন্যায়ালয়ৰ সিদ্ধান্তবোৰ হঠাতে লোৱা হৈছে। উচ্চ ন্যায়ালয়ে ধনবিষয়ক মোকৰ্দমাৰ এটা আপীলৰ সিদ্ধান্ত লোৱাৰ বিষয়ত অজ্ঞাত যেন লাগে। কেৱল লক্ষণীয় সিদ্ধান্তটো এনেধৰণৰ:

"আমি প্ৰতিদিনে ২৫২/- টকাত আয়ৰ লোকচানৰ মূল্যায়ন কৰাৰ ক্ষেত্ৰত বিদ্বান বিচাৰ আদালতে কোনো অবৈধতা বিচাৰি নাপাওঁ। এইটো সঁচা যে এনে ধৰণৰ গোচৰত হাতত থকা

বাহনখনৰ দৰে পুৰণি বাহনৰ প্ৰকৃত মুঠ আয় নিৰ্ণয় কৰিবলৈ সঠিক মূল্যায়ন কৰাটো অতি কঠিন হ'ব। বিদ্বান বিচাৰ আদালতে আনুমানিক গণনাৰ ওপৰত মোটামুটি মূল্যায়ন প্ৰয়োগ কৰিছিল আৰু সেইবাবে আমি এই আপীলত হস্তক্ষেপ কৰাটো উপযুক্ত গোচৰ নহয় বুলি মত পোষণ কৰিছো।"

১৯. বাহনখনৰ আয়ৰ সন্দৰ্ভত কোনো নিৰ্দিষ্ট বিষয় গঠন কৰা হোৱা নাছিল। বিচাৰ আদালতে নিজেই লক্ষ্য কৰিছিল যে বাদীজনে অত্যধিক দাবী কৰিছিল আৰু বাদীৰ দাবী যে দৈনিক চলোৱা বাহনখন এক অৰ্থহীন দাবী আছিল। বিচাৰ আদালতে কৰা সকলো অনুমান কোনো প্ৰমাণ অবিহনে আছিল। উপাৰ্জন ক্ষয়ৰ প্ৰশ্নসমূহৰ ওপৰত কোনো প্ৰমাণ দিয়া হোৱা নাছিল। ইয়াৰ উপৰিও মন কৰিবলগীয়া যে, মূল দাবী আছিল ১,৬৮,০০০/- টকা যিটো পৰৱৰ্তী সময়ত ১৫,৫৪,০০০/- টকালৈ সংশোধন কৰা হৈছিল। অভিযোগত উপাৰ্জন বা লোকচানৰ বিষয়ে কোনো বিবৃতি দিয়া হোৱা নাছিল। বিচাৰ আদালতৰ ৰায় আৰু ডিক্ৰী আৰু উচ্চ ন্যায়ালয়ৰ বিবাদিত আদেশৰ কোনো আইনী ভিত্তি নাই। বাদী নং ১ৰ প্ৰমাণ ৰেকৰ্ডত আছে। প্ৰকৃততে, গোচৰীয়া পক্ষৰ ১নং সাক্ষীৰ পুত্ৰ গোচৰীয়া পক্ষৰ ২নং সাক্ষীয়ে স্পষ্টভাৱে উল্লেখ কৰিছে যে তেওঁলোকে বাহনখনৰ আয় প্ৰমাণ কৰিবলৈ কোনো নথি দাখিল কৰা নাই।

২০. স্বাভাৱিকতে আমি বিবাদিত আদেশটো বাতিল কৰি বিচাৰ আদালতক গোচৰটোৰ পুনৰ শুনানি আৰু নতুনকৈ সিদ্ধান্ত ল'বলৈ নিৰ্দেশ দিম। দীঘলীয়া সময় আৰু বিতৰ্কৰ সীমিত প্ৰকৃতিৰ প্ৰতি লক্ষ্য ৰাখি আমি নিৰ্দেশ দিওঁ যে, দাবীৰ সম্পূৰ্ণ আৰু চূড়ান্ত নিষ্পত্তিৰ বাবে বাদীজনক আজিৰ পৰা দুমাহৰ ভিতৰত প্ৰতিবাদীয়ে ৩৫,০০০/- টকা দিব লাগিব। সেই অনুসৰি নিৰ্দেশ দিয়া হৈছে।

২১. খৰচৰ ক্ষেত্ৰত কোনো আদেশ নোহোৱাকৈ ওপৰত উল্লিখিত পৰিসৰলৈকে আপীলৰ অনুমতি দিয়া হৈছে।

বি. বি. বি.

আপীলৰ অনুমতি দিয়া হৈছে।

..........................................................................

অনুবাদ: ড. অৰ্চ্চনা দেৱী, কনিষ্ঠবৰ্গ অনুবাদক,অনুবাদ শাখা,গৌহাটী উচ্চ ন্যায়ালয়

DISCLAIMER

The translated judgment in vernacular language is meant for the restricted use of the litigant to understand it in his/her language and may not be used for any other purpose. For all practical and official purposes, the English version of the judgment shall be authentic and shall hold the field for the purpose of execution and implementation.

"স্থানীয় ভাষালৈ অনূদিত এই ৰায় গোচৰত জড়িত পক্ষই বুজি পোৱাৰ উদ্দেশ্যে সীমিত ব্যৱহাৰৰ বাবেহে। ইয়াৰ বাদে অন্য ক্ষেত্ৰত অনূদিত ৰূপ ব্যৱহৃত নহ'ব। সকলো ব্যৱহাৰিক আৰু বিভাগীয় কামৰ লগতে ৰায়ৰ কাৰ্য্যকৰীকৰণ আৰু ৰূপায়ণৰ ক্ষেত্ৰতো এই ৰায়ৰ ইংৰাজী সংস্কৰণটোৱেই সঠিক বুলি বিবেচিত হ'ব।"

..................